No. of Printed Pages—4

842 (ASM5A/ASP5A)

[20-HRGPNW–D5S(N)21A]

BA 5th Semester (New) Exam., 2020 (W)

ASSAMESE

[GAS S5–01 (M/P)]

(অসমীয়া সংস্কৃতি)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখক : 1×8=8

(i) কোন চনত অসমত ঔপনিৱেশিক শাসন প্ৰতিষ্ঠা হয় ?

(ii) 'Culture' শব্দৰ মূল কি ?

(iii) অসমীয়া ভাষাত কোনকেইটা বিদেশী ভাষাৰ শব্দৰ প্ৰৱেশ ঘটিছে ?

(iv) অসমীয়া সমাজত প্ৰচলিত কেইবিধমান পৰম্পৰাগত খাদ্যৰ নাম উল্লেখ কৰক ।

(v) সত্ৰসমূহত অনুষ্ঠিত হোৱা ভাদ-মহীয়া নৈমিত্তিক উৎসৱসমূহ কি কি ?

(vi) নামঘৰৰ কোনটো দিশত অগ্নিগড় স্থাপন কৰা হয় ?

(vii) কোনে শংকৰদেৱে ৰচনা কৰা বৰগীতসমূহ আওৰাবলৈ নিছিল ?

(viii) কেশৱানন্দ দেৱগোস্বামীয়ে অসমৰ সত্ৰীয়া সঙ্গীতক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰিছে ?

(b) তলত দিয়াবোৰৰ শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) কাৰ মতে জনগোষ্ঠী বুলিলে ''A social group or category of the population that in a large society is set apart and found together by common ties of race, language, nationality or culture'' বুজায় ?

1. Encyclopaedia Britannica
2. M. Dorson
3. G. B. Taylor
4. Dr. Nabin Chandra Sharma

(ii) তলত দিয়া কোনটো আহোমসকলে নিৰ্মাণ কৰা কীৰ্তি চিহ্ন নহয় ?

1. বিশ্বনাথ দ'ল
2. বাসুদেৱ মন্দিৰ
3. উগ্রতাৰা মন্দিৰ
4. ইয়াৰ এটাও নহয়

(iii) স্বৰ্গদেউ ৰুদ্রসিংহই অসমলৈ মুঠতে কেইটা মুছলমান পৰিয়াল আনিছিল ?

1. পাঁচটা
2. ছয়টা
3. সাতটা
4. আঠটা

(iv) অসমৰ লোকনৃত্যক কেইটা ভাগত ভাগ কৰা হয় ?

1. এক
2. দুই
3. তিনি
4. চাৰি

(c) খালী ঠাই পূৰ কৰক : 1×4=4

(i) ধর্মীয়কৃত বা ইয়াৰ লগত জড়িত সমলৰাজিৰ উৎপত্তিৰ বিষয়ে যি মিথধর্মী কাহিনী গোৱা হয় তাকে _____ বুলি অভিহিত কৰা হয়।

(ii) অসমীয়া সমাজত সাজ-পাৰ মৰম আৰু _____ প্রতীক।

(iii) লোকসংস্কৃতিবিদ ৰিচার্ড এম. ডৰচনে লোকপৰিৱেশ্য কলাক পুনৰ _____ ভাগত ভাগ কৰিছে।

(iv) কুশান-গানক _____ বুলিও অভিহিত কৰা হয়।

2. তলৰ যি কোনো **পাঁচটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় *৫০* শব্দৰ ভিতৰত) : 2×5=10

(a) ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালাই সংস্কৃতিৰ স্বৰূপ সম্পর্কে কি কৈছে?

(b) অসমীয়া ভাষাৰ ক্ষেত্রত কিদৰে সমাহৰণ ঘটিছে? উদাহৰণসহ চমুকৈ লিখক।

(c) অসমীয়া সাজ-পাৰৰ ক্ষেত্রত কিদৰে সমাহৰণ ঘটিছে? উদাহৰণসহ চমুকৈ লিখক।

(d) মৌখিক সাহিত্য কি?

(e) ভৌতিক সংস্কৃতিৰ বিষয়ে চমুকৈ লিখক।

(f) লোক ৰন্ধনপ্রণালী সম্পর্কে চমুকৈ লিখক।

3. তলৰ যি কোনো **ছয়টা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় **১২০** শব্দৰ ভিতৰত) : 4×6=24

(a) সংস্কৃতিৰ উপাদানসমূহৰ বিষয়ে চমুকৈ লিখক।

(b) অসমৰ সত্রানুষ্ঠানসমূহক কেইটা ভাগত ভাগ কৰিব পাৰি? চমুকৈ আলোচনা কৰক।

(c) সত্রীয়া নৃত্যৰ বিষয়ে চমুকৈ লিখক।

(d) অসমীয়া সংস্কৃতিলৈ মুছলমানসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে চমুকৈ লিখক।

(e) লোকসংস্কৃতি বুলিলে কি বুজে? অসমৰ লোকসংস্কৃতিৰ শ্রেণীবিভাজন দেখুৱাই আলোচনা যুগুত কৰক।

(f) চমু টোকা লিখক :

লোক ঔষধ আৰু লোক চিকিৎসা

(g) কুশান গান—পৰিৱেশ্য কলা হিচাপে ইয়াৰ আলোচনা আগবঢ়াওক।

4. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) নৃতাত্ত্বিক দৃষ্টিভঙ্গীৰে অসমত জাতি গঠনৰ স্বৰূপ কি ?

(b) নামঘৰৰ নিৰ্মাণশৈলীৰ বিষয়ে লিখক।

(c) অসমীয়া সমাজত পালিত উৎসৱ-পাৰ্বণ আৰু লোকসাহিত্যলৈ জনজাতিসকলৰ অৱিহণা বিষয়ে লিখক।

(d) স্থাপত্য আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত আহোমসকলৰ অৱদান কি ?

(e) অসমীয়া মৌখিক সাহিত্য—এই বিষয়ে এটি আলোচনা আগবঢ়াওক।

(f) অসমীয়া লোকগীত শ্ৰেণীৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

★ ★ ★